যিয়ে দুজনী কন্যা সন্তানক প্ৰাপ্তবয়স্ক নোহোৱালৈকে ভালকৈ লালন-পালন কৰিব, কিয়ামতৰ দিনা তেওঁ আৰু মই এনেকৈ নিকটৱৰ্তী থাকিম।" তেখেতে এই কথা কৈ দুটা আঙুলিক একেলগ কৰি দেখুৱালে।

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "যিয়ে দুজনী কন্যা সন্তানক প্ৰাপ্তবয়স্ক নোহোৱালৈকে ভালকৈ লালন-পালন কৰিব, কিয়ামতৰ দিনা তেওঁ আৰু মই এনেকৈ নিকটৱৰ্তী
থাকিম।" তেখেতে এই কথা কৈ দুটা আঙুলিক একেলগ কৰি দেখুৱালে। [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যাক মহান আল্লাহে দুজনী কন্যা সন্তান দান কৰিছে অথবা দুজনী ভনীয়েক দান কৰিছে, আৰু তেওঁ সিহঁতৰ ভৰণ-পোষণকে আদি কৰি দায় দায়িত্ব পালন কৰিছে আৰু সিহঁতক সৎকৰ্মৰ নিৰ্দেশ দিছে তথা অসৎকৰ্মৰ পৰা সতৰ্ক কৰিছে। অৱশেষত সিহঁত ডাঙৰ দীঘল হৈ প্ৰাপ্তবয়স্কত উপনীত হৈছে। কিয়ামতৰ দিনা সেই ব্যক্তি আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লাম এইদৰে নিকটৱৰ্তী থাকিব। এই বুলি কৈ তেখেতে মধ্যমা আৰু তৰ্জনী আঙুলিক একেলগ কৰি দেখুৱালে।

http://sunnah.global/hadeeth/as/show/3360